# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-09-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অকাল আৰু অস্বাভাৱিক মৃত্যুৰ ঘটনাক লৈ ৰাজ্যজুৰি বিভিন্ন দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে দোষীক শীঘ্ৰেই কৰায়ত্ত কৰাৰ বাবে দাবী উত্থাপন কৰিছে। সদৌ অসম ছাত্ৰ সন্থাই আজি শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ ন্যায় বিচাৰি গুৱাহাটী ছহিদ ন্যাস ভৱনত সংবাদ মাধ্যমক সম্বোধন কৰে। সংগঠনটোৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য আৰু সভাপতি উৎপল শৰ্মাৰ লগতে এই ঘটনাৰ প্ৰতিবাদত কাইলৈ প্ৰতিখন জিলাৰ সদৰ স্থানত মমবাতি জ্বলাই সমদল কৰা হ'ব বুলি জানিবলৈ দিয়ে। তেওঁলোকে এই তদন্ত ক্ষীপ্ৰ আৰু কঠোৰ হ'ব লাগিব বুলি দাবী জনায়। তেওঁলোকে দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী উত্থাপন কৰে। সংগঠনটোৰ মুখ্য উপদেষ্টাগৰাকীয়ে সাংবাদিকৰ আগত এইদৰে কয় -

***বাইট ( সমুজ্জ্বল ভট্টাচাৰ্য)***

ইপিনে শিৱসাগৰত জুবিন অনুৰাগীয়ে আজি শিল্পীজনৰ ৰহস্যজনক মৃত্যুৰ উচিত তদন্তৰ দাবীত এটা বিশাল প্ৰতিবাদী সমদল উলিয়ায়। দৌলমুখ চাৰিআলিৰ পৰা এ এছ টি চি হৈ শিৱসাগৰ নগৰ পৰিভ্ৰমণ কৰা এই প্ৰতিবাদী সমদলৰ জৰিয়তে জুবিন অনুৰাগীয়ে প্ৰিয় শিল্পীগৰাকীৰ বাবে ন্যায়ৰ দাবী কৰে।

ooooo

জনতাৰ আপোন শিল্পী জুবিন গাৰ্গৰ স্মৃতি ৰক্ষাৰ উদ্দেশ্যে শিৱসাগৰত শিল্পীগৰাকীৰ এটা পূৰ্ণাবয়ব প্ৰতিমূৰ্তি স্থাপন কৰা হ'ব। শিৱসাগৰ বিশ্ববিদ্যালয়ৰ সহ অধ্যাপক ৰবীন্দ্ৰ বৰাই আজি আনুষ্ঠানিকভাৱে এই ঘোষণা কৰে। এইক্ষেত্ৰত অধ্যাপকগৰাকীয়ে সমাজৰ সকলো স্তৰৰ ৰাইজৰ লগতে ৰাজ্য চৰকাৰকো সহায়ৰ হাত আগবঢ়াবলৈ আহ্বান জনায়।

ooooo

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কাইলৈৰ পৰা পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। ৰাষ্ট্ৰীয় উদ্যানখনৰ বাগৰি বনাঞ্চলত কাইলৈ পুৱা চাৰে ৭ বজাত জীপ ছাফাৰী আৰম্ভ হ'ব। দুৱাৰ মুকলি অনুষ্ঠানত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, অতুল বৰা, অজন্তা নেওগ, কেশৱ মহন্ত আৰু সাংসদ কামাখ্যা প্ৰসাদ তাছা উপস্থিত থকাৰ কথা। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই দুৰ্গা পূজাৰ সময়ত পৰ্যটকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ আগতীয়াকৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰাৰ সিদ্ধান্ত লয়। ইয়াৰ বাবে ইতিমধ্যে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। পৰিবহণ বিভাগে জীপসমূহৰ পৰীক্ষা-নিৰীক্ষা সম্পন্ন কৰাৰ উপৰি চালকৰ প্ৰশিক্ষণো সম্পূৰ্ণ কৰিছে। কাইলৈ জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে ৰাষ্ট্ৰীয় উদ্যানখন মুকলি কৰা হ'ব। ইপিনে কাজিৰঙাৰ কঁহৰা বনাঞ্চল অহা অক্টোবৰৰ দ্বিতীয় সপ্তাহত আৰু হাতী ছাফাৰী ১ নৱেম্বৰত মুকলি হোৱাৰ সম্ভাৱনা আছে বুলি

উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। ৰাজ্যৰ অন্য এখন বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যান কালিৰেপৰা পুনৰ পৰ্যটকৰ বাবে মুকলি কৰা হৈছে।

ooooo

গোলাঘাট জিলাৰ মেৰাপানী সীমান্তৰ ভেলৌগুৰি বীজ ফাৰ্মত নগাই মজুত ৰখা তৈল খেজুৰৰ পুলিসমূহ ঘূৰাই লৈ নোযোৱাৰ পৰিপ্ৰেক্ষিতত কৃষক মুক্তি সংগ্ৰাম সমিতি, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আৰু চাহ জনজাতি ছাত্ৰ সন্থাই আজি পুনৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। গোলাঘাট জিলা প্ৰশাসনে পূৰ্বে স্থানীয় ৰাইজ তথা দল-সংগঠনৰ দাবীৰ প্ৰতি লক্ষ্য ৰাখি কালিৰ ভিতৰত এই তৈল খেজুৰৰ পুলিসমূহ ওভতাই পঠোৱাৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু এইক্ষেত্ৰত জিলা প্ৰশাসন ব্যৰ্থ হোৱাত আজি ৰাইজে পুনৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। উল্লেখযোগ্য যে অসমৰ বীজ ফাৰ্মত নগাই উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাক উলংঘা কৰি পাম অইলৰ খেতি কৰিবলৈ লোৱা কাৰ্যৰ বিৰোধিতা কৰি স্থানীয় লোক তথা দল-সংগঠনে প্ৰতিবাদ কৰি আহিছে। এই পুলিসমূহ শীঘ্ৰেই নাগালেণ্ডলৈ ওভতাই নিনিলে প্ৰতিবাদী কাৰ্যসূচী আৰু দীঘলীয়া হ'ব বুলি সংগঠনসমূহে প্ৰকাশ কৰিছে।

ooooo

বৰপেটা জিলাৰ হাউলী থানাৰ অন্তৰ্গত ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কদমগুৰিত আজি দুপৰীয়া সংঘটিত এটা পথ দুৰ্ঘটনাত তিনিজন লোক থিতাতে নিহত আৰু এজন লোক আহত হয়। আমাৰ সংবাদদাতাই জনোৱা মতে পাঁচজন মৰাপাট ব্যৱসায়ীয়ে পথৰ কাষৰ গছৰ ছাঁত বহি হিচাপ-নিকাচ কৰি থকাৰ সময়ত এখন চাৰিচকীয়া বাহনে চাৰিজন লোকক মহতিয়াই নিয়ে। ইয়াৰে তিনিজনৰ ঘটনাস্থলীতে মৃত্যু হয়। নিহত লোককেইজন হাউলী কদমতলাৰ আলী হুছেইন, কদম আলী আৰু হাজোৰ ৰামদিয়াৰ হানিফ আলী বুলি চিনাক্ত কৰা হৈছে। আহত লোকজনক বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছে। দুৰ্ঘটনা সংঘটিত কৰি চালকজনে পলায়নৰ চেষ্টা কৰে যদিও ৰাইজে তেওঁক কৰায়ত্ত কৰি আৰক্ষীক গতাই দিয়ে।

ইপিনে বজালী জিলাৰ পাঠশালাৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা সংঘটিত পথ দুৰ্ঘটনাত চুলিয়াপাৰাৰ সিদ্ধেশ্বৰ শৰ্মা নামৰ লোকজনৰ মৃত্যু হয়। ৰান্ধনী হিচাপে জীৱিকা নিৰ্বাহ কৰা শৰ্মাই নিজৰ কাম সমাপ্ত কৰি ঘৰলৈ আহি থকা অৱস্থাত এখন বাহনে তেওঁক মহতিয়াই লৈ যায়। ততাতৈয়াকৈ তেওঁক পাঠশালা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা  হয় যদি চিকিৎসকে মৃত ঘোষণা কৰে।

ooooo

পণ্ডিত দীনদয়াল উপাধ্যায়ৰ জন্মদিনৰ লগত সংগতি ৰাখি আজি ৰাজ্যৰ ভিন ভিন ঠাইত আত্মনিৰ্ভৰ ভাৰত আৰু স্বদেশী শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীত আয়োজিত আলোচনা চক্ৰত অংশগ্ৰহণ কৰে। মঙলদৈৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত আলোচনা চক্ৰত দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত পণ্ডিত দীনদয়াল উপাধ্যায় আৰু শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়।

ooooo

ঃঃ সমাপ্ত ঃঃ